# Visit of President-Elect of the 76th General Assembly of the United Nations and Minister of Foreign Affairs of Maldives to India (July 22-24, 2021)

July 21, 2021

# ৰাষ্ট্ৰ সংঘৰ 76তম সাধাৰণ সভাৰ নিৰ্বাচিত-সভাপতি আৰু মালদ্বীপৰ বিদেশ বিষয়ক মন্ত্ৰীৰ ভাৰত ভ্ৰমণ (জুলাই 22-24, 2021)

জুলাই 21, 2021

1. ভাৰতৰ বিদেশ বিষয়ক মন্ত্ৰী, ডঃ এছ জয়শংকৰৰ নিমন্ত্ৰণত, মাননীয় মিঃ আব্দুল্লাহ চাহিদে, ৰাষ্ট্ৰ সংঘৰ 76তম সাধাৰণ সভাৰ নিৰ্বাচিত-সভাপতি আৰু মালদ্বীপৰ বিদেশ বিষয়ক মন্ত্ৰী, নতুন দিল্লী ভ্ৰমণ কৰিব 22-24 জুলাই 2021 তাৰিখে।

2. এই ভ্ৰমণত, সাধাৰণ সভাৰ নিৰ্বাচিত-সভাপতিজনে এক সৌজন্য সাক্ষাৎ কৰিব প্ৰধান মন্ত্ৰীৰ সৈতে আৰু বিদেশ বিষয়ক মন্ত্ৰীৰ সৈতে আলোচনা কৰিব পাৰস্পৰিক ৰুচিৰ মুখ্য আন্তঃৰাষ্ট্ৰীয়, বহুপক্ষীয়, আঞ্চলিক আৰু দ্বিপক্ষীয় বিষয়সমূহৰ ওপৰত। বিদেশ বিষয়ক মন্ত্ৰীজনে ভ্ৰমণকাৰী বিশিষ্ট ব্যক্তিজনৰ বাবে এক আনুষ্ঠানিক নৈশআহাৰ আয়োজন কৰিব।

3. সাধাৰণ সভাৰ নিৰ্বাচিত সভাপতিয়ে ইউএনজিএ সভাপতিত্বৰ প্ৰতি তেওঁৰ দৰ্শন বিনিময় কৰিব এক ভাৰচ্যুৱেল ৰাজহুৱা ভাষণত যাৰ শিৰোনাম "আশাৰ সভাপতিত্ব: কোভিড মহামাৰী আৰু সংশোধিত বহুপক্ষীয়তাৰ প্ৰয়োজন" 23 জুলাই দুপৰীয়া বিশ্ব বিষয়ক ভাৰতীয় পৰিষদৰ (আইচিডাব্লিউএ) চৌহদত চাপ্ৰু হাইচ, নতুন দিল্লীত।

4. সাধাৰণ সভাৰ নিৰ্বাচিত সভাপতিৰ ভ্ৰমণে এক সুযোগ প্ৰদান কৰিব তেওঁৰ সৈতে ভাব বিনিময় কৰাৰ বিভিন্ন বিশ্বযোৰা প্ৰত্যাহ্বানৰ ওপৰত যাক লৈ বৰ্তমান ৰাষ্ট্ৰ সংঘ ব্যস্ত। লগতে এই ভ্ৰমণে এক সুযোগ প্ৰদান কৰিব বহুপক্ষীয়তা আৰু এই প্ৰত্যাহ্বানবোৰ সন্মুখীনত হোৱাৰ ক্ষেত্ৰত ৰাষ্ট্ৰ সংঘৰ নেতৃত্বৰ প্ৰতি ভাৰতৰ প্ৰতিশ্ৰুতি পুনৰ নিশ্চিত কৰাৰ।

5. ভাৰত, প্ৰথমখন দেশ হ'ব যি মাননীয় আব্দুল্লাজ চাহিদে নিজৰ চৰকাৰী ক্ষমতাত ভ্ৰমণ কৰিব সাধাৰণ সভাৰ নিৰ্বাচিত সভাপতি হিচাপে 7 জুন 2021 তাৰিখৰ তেওঁৰ নিৰ্বাচনৰ পিছত।

6. সাধাৰণ সভাৰ নিবাৰ্চিত সভাপতিয়ে এপ্ৰিল 2021 চনত শেষবাৰ ভাৰত ভ্ৰমণ কৰিছিল মালদ্বীপৰ বিদেশ বিষয়ক মন্ত্ৰীৰ ক্ষমতাত। মালদ্বীপে এক মুখ্য স্থান দখল কৰে ভাৰতৰ চুবুৰীয়া

প্ৰথম নীতি আৰু প্ৰধান মন্ত্ৰীৰ সাগৰ দৰ্শনৰ অংশ হিচাপে আৰু দুয়োজন মন্ত্ৰীয়ে দুই পক্ষৰ মাজৰ দ্বিপক্ষীয় সহযোগিতাৰ সমগ্ৰ পৰিসৰ নিৰীক্ষণ কৰিব বুলি আশা কৰা হৈছে। এই আলোচনাই দুয়োখন দেশৰ মাজৰ দ্ৰুতবেগত বিস্তাৰ হোৱা বান্ধোনক অধিক গতি প্ৰদান কৰিব বুলি আশা কৰা হৈছে। মালদ্বীপত ভাৰতীয় অনুদান সাহায্যৰ সৈতে উচ্চ প্ৰভাৱ সম্প্ৰদায় উন্নয়ন প্ৰকল্পৰ এক চুক্তি এই ভ্ৰমণত স্বাক্ষৰ কৰা হ'ব।

**নতুন দিল্লী**
**জুলাই 21, 2021**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.